১৯৯৯ চনৰ এছচিচি অনলাইন গৌহাটী ২১৫ : (১৯৯৯) ৩ গৌহাটী এল আৰ ৩৭০

গৌহাটী উচ্চ ন্যায়ালয়

(এন.চি. জৈন, ন্যায়াধীশ)

নাথুনী সিং ... আবেদনকাৰী;

বনাম

উপায়ুক্ত, ডিফু আৰু অন্যান্য... উত্তৰদাতাসকল।

১৯৯১ চনৰ ৩৩৮ নং ফৌজদাৰী পুনৰীক্ষণ আবেদন

১৯৯৯ চনৰ ২১ মে’ -ৰ ৰায়দান

**অসম বন নিয়মাৱলী, ১৮৯১, ধাৰা ৫১– কোনো ব্যক্তি বন অপৰাধত দোষী সাব্যস্ত হ’লেহে ধাৰা ৫১ কাৰ্যকৰী হ’ব – অভিযোগৰ পৰা মুক্ত হোৱা আবেদন – আবেদনকাৰীৰ বাহন বাজেয়াপ্ত কৰিব নোৱাৰিব।**

অসম বন নিয়মাৱলী, ১৮৯১ৰ ৫ নং ধাৰাটোৰ পঠনে স্পষ্ট কৰি দিয়ে যে আদালতে মালিকক যদি দোষী পায়, তেনেহলে অপৰাধ সংঘটিত কৰাত ব্যৱহৃত ট্ৰাকখন বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিব পাৰে। "বন অপৰাধত দোষী সাব্যস্ত হোৱা যিকোনো ব্যক্তি" বাক্যাংশই স্পষ্ট কৰি দিয়ে যে যেতিয়া কোনো ব্যক্তিক বন অপৰাধত দোষী সাব্যস্ত কৰা হয়, তেতিয়াহে ৫১ নং ধাৰা ব্যৱহাৰ কৰিব পাৰি। যদিহে আবেদনকাৰীক বন অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হ’লহেঁতেন, তেন্তে বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিয়াৰ বাবে ৫১নং ধাৰাটোৰ আশ্ৰয় ল’ব পৰা গ’লহেঁতেন। আবেদনকাৰীৰ নিৰ্দোষীতাৰ প্ৰতি লক্ষ্য ৰাখি, বিদ্বান উপায়ুক্তই ৫১ নং ধাৰা প্ৰয়োগ কৰিব নোৱাৰিব। এইটোৱেই একমাত্ৰ ব্যাখ্যা যিটো ৫১ নং ধাৰাক দিব পাৰি। [দফা ৩]

এই গোচৰত হাজিৰ হোৱা অধিবক্তাসকল:

শ্ৰী জে. এম. চৌধুৰী আৰু শ্ৰীমতী আৰ. টি. ফুকন, আবেদনকাৰীৰ বাবে।

শ্ৰী বি বেনাৰ্জী, লোক অধিবক্তা, অসম, উত্তৰদাতাসকলৰ বাবে।

**ৰায় আৰু আদেশ**

১. এই পুনৰীক্ষণ আবেদন নাথুনী সিঙে কেৱল ১৯-৭-৯১ তাৰিখৰ কাৰ্বি আংলং, ডিফুৰ উপায়ুক্তৰ আদেশৰ বিৰুদ্ধে দাখিল কৰিছে। চমুকৈ বিচাৰৰ গোচৰটো আছিল যে ২:৩-১০-৯০ তাৰিখৰ নিশা বন কৰ্মচাৰীয়ে এন এল এন ১৯৩৯ নং ট্ৰাকখনক ট্ৰাকখনকৰ চালক সুৰেন্দ্ৰ কুমাৰ দাস আৰু কিছু শ্ৰমিকৰ সৈতে হাতে লুটে ধৰা পেলাই। ট্ৰাকখনে ছয়টা কুণ্ডা (কাঠৰ টোকোৰা)ভৰাই বনকৰ্মীৰ পহৰাৰ পৰা হাত সাৰি জংঘলৰ পথেৰে গোপনে ডিমাপুৰ অভিমুখে আগবাঢ়িছিল বুলি অভিযোগ উত্থাপন হৈছিল। বিচাৰপক্ষৰ গোচৰ অনুসৰি ডালডোলি সংৰক্ষিত বনাঞ্চলৰ পৰা এই কুণ্ডা (কাঠৰ টোকোৰা)বোৰ অনা হৈছিল। উক্ত ট্ৰাক আৰু কুণ্ডা (কাঠৰটোকোৰা)বোৰ জব্দ কৰা হৈছিল আৰু অভিযুক্ত ব্যক্তিসকলক গ্ৰেপ্তাৰ কৰা হৈছিল। আবেদনকাৰীজন উপস্থিত নাছিল আৰু পিছৰ পৰ্যায়ত তেওঁক মাতি অনা হৈছিল, কাৰণ তেওঁ ট্ৰাকৰ মালিক।

২) বিদ্বান বিচাৰ আদালতে বিচাৰৰ অন্তত অসম বন নিয়মাৱলীৰ ধাৰা নং ২৫, ৪০/৪১ৰ অধীনত অপৰাধৰ বাবে কেৱল সুৰেন্দ্ৰ কুমাৰ দাসক দোষী সাব্যস্ত কৰে। আবেদনকাৰীক কোনো অপৰাধৰ বাবে দোষী পোৱা নগ'ল। আৱেদনকাৰীজনক মুখ্যতঃ দোষমুক্ত কৰা হৈছিল কাৰণ বন অপৰাধত তেওঁ প্ৰত্যক্ষভাবে জড়িত থকাৰ কোনো প্ৰমাণ নাছিল। কিন্তু দোষমুক্ত হোৱাৰ স্বত্বেও, উপায়ুক্তজনে অসম বন নিয়মাৱলীৰ ধাৰা নং ৫১ ব্যৱহাৰ কৰি আৱেদনকাৰীৰ ট্ৰাকখন ৰাজ্য চৰকাৰৰ বা বাজেয়াপ্ত কৰি তাৰ পাছত নিলাম কৰাৰ নিৰ্দেশ দিয়ে।

৩/ আবেদনকাৰীৰ অধিবক্তা শ্ৰী জে এম চৌধুৰী, জ্যেষ্ঠ অধিবক্তাই যুক্তি দিছে যে এবাৰ আবেদনকাৰী অভিযোগৰ পৰা দোষমুক্ত হ'লে, তেওঁৰ ট্ৰাকখন জব্দ কৰিব নোৱাৰিব। এই যুক্তি শক্তিশালী আৰু ইয়াক সমৰ্থন কৰা উচিত। অসম বন নিয়মাৱলী, ১৮৯১ৰ ৫১ নং ধাৰাৰে চালে স্পষ্ট হৈ পৰে যে যদি অপৰাধটোৰ বাবে ট্ৰাকৰ মালিকজনক দোষী পায়, তেতিয়াহে আদালতে অপৰাধ সংঘটিত কৰাত ব্যৱহৃত ট্ৰাকখন বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিব পাৰে।

৪/ বন অপৰাধত দোষী সাব্যস্ত হোৱা "যিকোনো ব্যক্তি" বাক্যাংশই স্পষ্ট কৰি দিয়ে যে যেতিয়া কোনো ব্যক্তিক বন অপৰাধত দোষী সাব্যস্ত কৰা হয় তেতিয়াহে ৫১ নং ধাৰা ব্যৱহাৰ কৰিব পাৰি। যদিহে আবেদনকাৰীক বন অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হ'লহেঁতেন, তেন্তে বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিয়াৰ বাবে ৫১ নং ধাৰাটোৰ আশ্ৰয় ল'ব পৰা গ'লহেঁতেন। আবেদনকাৰীৰ নিৰ্দোষতাৰ প্ৰতি লক্ষ্য ৰাখি, বিদ্বান উপায়ুক্তই ৫১ নং ধাৰা প্ৰয়োগ কৰিব নোৱাৰিব। এইটোৱেই একমাত্ৰ ব্যাখ্যা যিটো ৫১ নং ধাৰাক দিব পাৰি।

৫/ ওপৰত লিপিবদ্ধ কৰা কাৰণসমূহৰ বাবে পুনৰীক্ষণ আবেদন মঞ্জুৰ কৰা হৈছে। উপায়ুক্তৰ আদেশ, যিমানদূৰলৈকে আবেদনকাৰীৰ সৈতে জড়িত হয়, সেইয়া ইয়াৰ দ্বাৰা বাতিল কৰা হৈছে।

Translated by: Mitali Kotoki

Chief Translator

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।“